

# বৰপেটাত চাইবাৰ সুৰক্ষাৰ সজাগতা অভিযান কুইক হিলৰ

গুৱাহাটী ঃ বৰপেটাত চাইবাৰ সুৰক্ষা বিষয়ক সজাগতা অভিযান আৰম্ভ কৰিছে কুইক হিল ফাউণ্ডেচনে। কুইক হিল টেকন'লজিছ লিমিটেডৰ চি এছ আৰ শাখা কুইক হিল ফাউণ্ডেচনৰ জৰিয়তে আৰম্ভ কৰা হৈছে এই সজাগতা অভিযান। চাইবাৰ সুৰক্ষা শিক্ষা প্ৰসাৰৰ বাবে এই কাৰ্যসূচী মুকলি কৰা হৈছে। এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কুইক হিল ফাউণ্ডেচনৰ অধ্যক্ষ অনুপমা কাটকাৰে। বেচৰকাৰী সংস্থা 'সৃজন— এক ছোচ'ৰ সৈতে সহযোগিতাৰে অঞ্চলটোৰ ৪০ হেজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু দহ হেজাৰৰো অধিক গ্ৰামাঞ্চলৰ লোকৰ মাজত এই সজাগতা অভিযান অনুষ্ঠিত কৰা হ'ব। ভাৰতৰ ২৫০ খন পিচপৰা জিলাৰ ভিতৰত অন্যতম বৰপেটাত ২০০৬ চনৰ পৰা এনেধৰণৰ কাৰ্যসূচী অনুষ্ঠিত কৰি অহা হৈছে। স্থানীয় লোকসকলৰ মাজত চাইবাৰ সুৰক্ষাৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ বাবে গ্ৰহণ কৰা এই কাৰ্যসূচীত ৪০ গৰাকী স্বেচ্ছাসেৱকক নিৰ্বাচন কৰা হৈছে। অসম চাইবাৰ ৱাৰিঅ'ৰ হিচাপে তেওঁলোকে সেৱা আগবঢ়াব। এই সন্দৰ্ভত অনুপমা কাটকাৰে কয় যে বৰপেটাৰ দৰে এখন পিচপৰা জিলাৰ লোকসকলক সজাগ কৰাৰ বাবেই এই পদক্ষেপ গ্ৰহণ কৰিছে তেওঁলোকে।